জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪০/২০২০

অডিঅ’ কনফাৰেন্সযোগে পঞ্চায়তৰ সভাপতি আৰু সচিবৰ সৈতে বাৰ্তালাপ কৰিলে মুখ্যমন্ত্ৰীয়ে

## বিভিন্ন চৰকাৰী আঁচনিৰ তালিকা প্ৰস্তুতৰ সময়ত প্ৰকৃত হিতাধিকাৰী যাতে বঞ্চিত নহয় তাক সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

# চৰকাৰী আঁচনি ৰূপায়ণত দুৰ্নীতি সহ্য কৰা নহ’ব ঃ মুখ্যমন্ত্ৰী

## প্ৰতিখন পঞ্চায়তক আত্মসহায়ক গোটৰ পৰা শ্ৰমিকৰ বাবে ২০০০ খনকৈ মাস্ক ক্ৰয় কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৭ মে’ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্যৰ গাঁও পঞ্চায়তসমূহৰ সভাপতি আৰু সচিবসকলৰ সৈতে ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাৰ পৰা অডিঅ’ কনফাৰেন্সযোগে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে সামাজিক দূৰত্ব বজাই ৰখাৰ উপৰি ক’ভিড-১৯ সন্দৰ্ভত স্বাস্থ্য বিভাগে দিয়া নীতি-নিৰ্দেশনা মানি এমজিএনৰেগাৰ দৰে আঁচনি সমূহৰ অধীনত কাম আৰম্ভ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ লক্‌ডাউনৰ কাৰ্যসূচী সফলতাৰে পালন কৰাত আগবঢ়োৱা সহযোগিতাৰ বাবে পঞ্চায়তৰ সভাপতি আৰু সচিবসকলক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে চৰকাৰী আঁচনিসমূহ সঠিক ৰূপত ৰূপায়ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ গাওঁসমূহত সুশাসন প্ৰতিষ্ঠা কৰাৰ বাবে আমি সকলোৱে ঐক্যবদ্ধ প্ৰচেষ্টাৰে কাম কৰি আহিছো আৰু আগন্তুক দিনসমূহতো একেদৰে কাম কৰি যাম। চৰকাৰৰ কল্যাণকামী আঁচনিসমূহত হিতাধিকাৰী নিৰ্বাচনত যাতে কোনো ধৰণৰ খেলি-মেলি নহয় আৰু আঁচনিৰ নীতি-নিয়ম অনুযায়ী প্ৰকৃত হিতাধিকাৰীসকলে সুফল লাভ কৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিবলৈ গাওঁ পঞ্চায়তৰ সভাপতি আৰু সচিবসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে আঁচনিসমূহ ৰূপায়ণত যাতে দুৰ্নীতি হ’ব নোৱাৰে তাক সুনিশ্চিত কৰিব লাগিব। এমজিএনৰেগাৰ মজুৰি যাতে প্ৰকৃত জব কাৰ্ড হল্ডাৰে হে লাভ কৰে আৰু ইয়াৰ জৰিয়তে গাঁৱৰ দুখীয়া জনসাধাৰণ উপকৃত হ’ব পাৰে, সেয়া সুনিশ্চিত কৰাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

এমজিএনৰেগা আৰু অন্যান্য আঁচনিৰ অধীনত কাম কৰা কৰ্মীসকলে সামাজিক দূৰত্ব বজাই ৰখা, মাস্ক পৰিধান কৰা আৰু হাত ধোৱাৰ বাবে চাবোন আৰু পানীৰ ব্যৱস্থা ৰখাটো সুনিশ্চিত কৰাৰ বাবে নিৰ্দেশ দি মুখ্যমন্ত্ৰীয়ে প্ৰতিখন পঞ্চায়তকে আত্মসহায়ক গোটৰ পৰা ২০০০ খনকৈ মাস্ক ক্ৰয় কৰিবলৈ কয়। মুখ্যমন্ত্ৰীয়ে এই মাস্ক আচঁনিৰ অধীনত কাম কৰা শ্ৰমিক সকলৰ মাজত বিতৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰী আচঁনিৰ ৰূপায়ণত দুৰ্নীতি হ’লে সমগ্ৰ চৰকাৰী প্ৰশাসন যন্ত্ৰৰ দুৰ্নাম হয়। প্ৰকৃত হিতাধিকাৰীয়ে যাতে আচঁনিৰ আৱন্টিত ধন লাভ কৰে আৰু কোনো প্ৰকৃত হিতাধিকাৰী যাতে বাদ পৰি

নাযায় সেয়া সুনিশ্চিত কৰাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। বিভিন্ন চৰকাৰী আঁচনিৰ হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰাৰ সময়ত বিশেষ সতৰ্কতা অৱলম্বন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে পঞ্চায়তৰ সভাপতি আৰু সম্পাদকসকলক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে মানৱ জাতিৰ ইতিহাসত প্ৰথম বাৰৰ বাবে কৰ'না ভাইৰাছৰ ৰূপত এক অদৃশ্য শত্ৰুৱে সমগ্ৰ বিশ্বৰ সন্মুখত অভাৱনীয় প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। সমগ্ৰ বিশ্বই আজি কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে ঐক্যবদ্ধভাৱে যুঁজ দিছে। দৰাচলতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমাৰ দেশত এই ভাইৰাচৰ সংক্ৰমণ আৰম্ভণিতে ঘোষণা কৰা লক ডাউনৰ বাবেই আজি আমি সুৰক্ষিত হৈ ৰ'বলৈ সক্ষম হৈছো বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ক'ভিড -১৯ ৰ ফলত দেখা দিয়া অৰ্থনৈতিক প্ৰত্যাহ্বানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তৃতীয় পৰ্যায়ৰ লক ডাউনৰ সময়ত অৰ্থনৈতিক কাম-কাজ আৰম্ভ কৰাৰ সময়ত কেতবোৰ ক্ষেত্ৰত শিথিলতা অনা হৈছে। তৃতীয় পৰ্যায়ৰ লক ডাউনৰ সময়ত জনগণে যাতে ৰাজহুৱা স্থানত সামাজিক দূৰত্ব বজাই ৰাখি স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনা মানি চলে তাৰ বাবে জনগণক সজাগ-সচেতন কৰিবলৈও গাঁও পঞ্চায়তৰ সভাপতি-সম্পাদকসকলক তেওঁ আহ্বান জনায়। এমজিএনৰেগা আঁচনিৰ সঠিক ৰূপায়ণত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে এই সংকটৰ সময়ত বিনামূলীয়া চাউল বিতৰণত যাতে কোনো বেমেজালি নহয় আৰু এই চাউল যাতে সঠিক ভাবে আৰু প্ৰকৃত হিতাধিকাৰীয়েহে লাভ কৰে, তাক সুনিশ্চিত কৰাৰ বাবে নিৰ্দেশ দিয়ে।

উল্লেখ্যযোগ্য যে আজি ৰাজ্যৰ গাওঁ পঞ্চায়তসমূহৰ প্ৰায় ৩০০০ গৰাকী সভাপতি আৰু সচিবে এই অডিঅ' কনফাৰেন্সত অংশ গ্ৰহণ কৰে। টেলিফোনিক বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব হেমেন দাসো উপস্থিত থাকে।

**স্বাক্ষৰ / পুঃডেঃ / প্ৰঃকুঃবঃ**
**০৭/৫/২০২০**